# অঞ্জলি

-শ্ৰীমহেশ চন্দ্ৰ মেধি-

ANJALI A Collection of Assamese Modern Poem’s by Sri Mahesh Ch. Medhi, Published by Bamundi Tarun Sangha & Puthibharal.

Price Rs. 2.00

---

প্ৰকাশক : বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰাল, বামুন্দী, কামৰূপ

প্ৰথম প্ৰকাশ : বিজয়া দশমী, ইং ১৯৮০ চন

ছপা : আলোক মুদ্ৰণালয়, নাৰেঙ্গী গুৱাহাটী-৭৮১০২০

মূল্য : দুই টকা

লিখকৰ দ্বাৰা সৰ্ব্বস্বত্ব সংৰক্ষিত

## **-অৰ্পন-**

যিসকল শ্বহীদে দেশমাতৃকাৰ হকে
আত্ম বলিদান দিলে
তেওঁলোকৰ পবিত্ৰ আত্মাৰ স্মৃতিত

-লিখক

# ॥ বাটে বাটে ॥

বিভিন্ন সময়ত মনৰ মাজত উদ্ভাৱন হোৱা ভাৱ আবেগক "অঞ্জলি"ত থুপ খুৱাই ৰাখিলোঁ। 'অঞ্জলি'ত থূপাই ৰখা কবিতা কেইটাৰ ইতিমধ্যে কিছুমান 'অগ্ৰদূত', 'আলোক', আৰাধনা আদি বাতৰি কাকতত প্ৰকাশ পাইছে । তাৰোপৰি 'ৰেণু' ৰঙিয়া কলেজৰ আলোচনী, আমাৰ দাপোন আৰু বামুন্দী হাই স্কুলৰ 'আদৰি' আদিত প্ৰকাশ হৈছিল ।

'অগ্ৰদূত'ত প্ৰকাশ হোৱা কবিতা কেইট| হল – চিতা, নতুন প্ৰভাত, নৱ-দধীচিৰ অস্ত্ৰ আৰু গতি ।

'আলোক'ত প্ৰকাশ পোৱা কবিতা কেইটা হ'ল– অঞ্জলি, মাতৃপূজা, অস্তিত্ব, প্ৰণতি, ৰহস্য, অসীম মৰম, বেদনা, অব্যক্ত সুৰ, মৰম শলিতা, ত্যাগ, এটি কথা, পৃথিৱী, নতুন প্ৰাণ, বহাগী, মাতৃ বন্দনা আৰু আৰাধনা ।

'আৰাধনা'ত প্ৰকাশ পোৱা কবিতা কেইটা হ'ল – অৰ্চনা, আৰু ফুট-পাথ ।

'ৰেণু'ত প্ৰকাশ পোৱা কবিতা কেইটা হ'ল— বিদ্ৰোহ আৰু এটি মুহূৰ্ত্ত ।

'আমাৰ দাপোন'ত প্ৰকাশ পোৱা – মনুষত্ব।

ৰঙিয়া কলেজ আলোচনীত প্ৰকাশ পোৱা - জ্যোতি শিখা আৰু এটি ক্ষণ।

সাহিত্য জগতৰ প্ৰতি মোক বাট দেখাওতাজন হ'ল গায়ক, গীতিকাৰ আৰু নাট্যকাৰ হিচাবে আমাৰ অঞ্চলত শুনাম অৰ্জন কৰা শিক্ষক শ্ৰীযোগেশ বৰুৱা । তেখেতলৈ মোৰ কৃতজ্ঞতা থাকিল। তাৰ পিচত মোৰ শিক্ষাগুৰু শ্ৰীযুত যোগেশ্বৰ দাস আৰু শ্ৰীযুত ৰত্নকান্ত বেজ দেৰৰ প্ৰেৰণাও শলাগনীয় । ইতিমধ্যে 'অগ্ৰদূত', 'আৰাধনা', 'আলোক' বাতৰি কাকতত কিছুমান কবিতা প্ৰকাশ কৰা বাবে কাকত তিনিখনৰ সম্পাদক ক্ৰমে— মাননীয় শ্ৰীযুত কনকসেন ডেকা, শ্ৰীযুত তীৰ্থনাথ শৰ্ম্মা আৰু শ্ৰীযুত ৰাধিকামোহন গোস্বামী দেৱলৈ মোৰ কৃতজ্ঞতা যাচিলো।

হাতেলিখা অৱস্থাতে সাহিত্যিক পেঞ্চনাৰ মাননীয় শ্ৰীযুত তিলক দাস আৰু শ্ৰীযুত শ্ৰীৰাম দাস (বৰপেটা) দেৰে পঢ়ি চাই কিতাপ আকাৰত ছপাবলৈ প্ৰেৰণা দিয়ে। ভেখেতসকলৰ প্ৰতিও মই চিৰকৃতজ্ঞ।

উদীয়মান কবি সাহিত্যিক 'জিঞ্জিৰি' কবিতা আলোচনীৰ সম্পাদক মাননীয় শ্ৰীযুত পৰমেশ শীলদেৱে কবিতা পুথিখনৰ বাট-চ'ৰা লিখি দিয়াত মই চিৰকৃতজ্ঞ।

আটাইতকৈ গধুৰ বোজা সদৃশ কবিতা পুথিখনি ছপোৱাৰ দায়িত্ব বামুন্দী তৰুণ সংঘ আৰু পুথিভঁৰালে লোৱাত নথৈ আনন্দিত হৈছোঁ আৰু তাৰ বাবে সকলো কৰ্ম্মী আৰু কাৰ্য্যকৰী কমিতিলৈ মোৰ আন্তৰিক শলাগ যাছিলোঁ। লগতে সম্পাদক মোৰ শিক্ষাগুৰু শ্ৰীযুত ধীৰেন্দ্ৰ চন্দ্ৰ কলিতা দেৱলৈও কৃতজ্ঞতা জনালোঁ।

কম সময়ৰ ভিতৰত ছপা কৰি দিয়া বাবে আলোক মুদ্ৰণালয়ৰ কৰ্ম্মীবৃন্দলৈ শলাগৰ শৰাই যাছিলোঁ।। কবিতা পুথিখনি ৰাইজে মৰমৰ চকুৰে চালে বৃতা হম।

ইতি -

২ কাতি, ১৩৮৭ শক,<br>
বিজয়া দশমী, ১৯৮০ ইং চন।

শ্ৰীমহেশ চন্দ্ৰ মেধি<br>
বামুন্দী

# : তোৰণ :

পুথি প্ৰকাশকৰ ক্ষেত্ৰত বামুন্দী তৰুণ সংঘ আৰু পুথি ভঁৰালৰ এয়া তৃতীয় প্ৰচেষ্টা। ১৯৭৬ চনত ৰঙালী বিহু উপলক্ষে বামুন্দী অঞ্চলৰ সাংস্কৃতিক দিশত আলোকপাত কৰি “স্মৃতিৰ ৰহঘৰা” প্ৰকাশ কৰা হয় । ১৯৭৭ চনৰ মাৰ্চ মাহত অনুষ্ঠানৰ ৰূপালী জয়ন্তী উপলক্ষে স্মৃতি গ্ৰন্থ “স্মৃতি চয়ন” প্ৰকাশ কৰা হয় । শ্ৰীমহেশ চন্দ্ৰ মেধিয়ে স্মৃতি গ্ৰন্থখনিৰ সম্পাদনা কৰিছিল । শ্ৰীমেধিয়ে এইবাৰ বামুন্দী তৰুণ সংঘ আৰু পুথি ভঁৰালৰ ওচৰ চাপে তেওঁৰ পুথি “অঞ্জলি” প্ৰকাশৰ বাবে। লিখকৰ প্ৰচেষ্টাত উদগনি জনোৱাৰ মানসে অনুষ্ঠানৰ কাৰ্য্য-নিৰ্ব্বাহকে পুথিখনি প্ৰকাশৰ সন্মতি প্ৰকাশ কৰে। লিখকৰ ভালেমান কবিতা আৰু প্ৰবন্ধ কেইবাখনো অসমীয়া বাৰ্ত্তা আলোচনীত প্ৰকাশ পাইছে আৰু পঢ়ুৱৈৰ সমাদৰ লাভ কৰিছে। ‘অঞ্জলি’ কবিতা পুথিখনিত মুঠ ৪২ ( বিয়াল্লিশ) টা কবিতা সন্নিবিষ্ট কৰা হৈছে । ইয়াৰে ২৭টা ইতিমধ্যে ‘আলোক', ‘আৰাধনা’, ‘অগ্ৰদূত’, ‘আমাৰ দাপোন’ বাৰ্ত্তা আলোচনী আৰু ৰঙিয়া কলেজ আলোচনীত প্ৰকাশ পাইছে । ছাত্ৰ অৱস্থাৰে পৰা কলম হাতত লৈ সাহিত্যানুৰাগী শ্ৰীমেধিয়ে ‘ৰেণু’ নামৰ আলোচনী এখনো সম্পাদনা কৰি প্ৰকাশ কৰে। ‘অঞ্জলি’ ভাবাবেগৰ মূৰ্ত্ত প্ৰকাশ । পঢ়ুৱৈ সমাজে 'অঞ্জলি'ক মৰমৰ চকুৰে চালে প্ৰকাশক আৰু লিখক উভয়ে কৃতাৰ্থ হ'ব ।

বামুন্দী তৰুণ সংঘ আৰু পুথি ভঁৰালৰ হকে
শ্ৰীধীৰেন্দ্ৰ চন্দ্ৰ কলিতা,
সম্পাদক

# : বাট-চ'ৰা :

মানব-হৃদয়ৰ স্থায়ী সুৰ কবিতা। অন্তঃসলিলা ফল্গুৰ দৰে হৃদয়ৰ মাজত সুপ্ত হৈ থকা এই স্থায়ী সুৰ মুঞ্জৰিত কৰি যিয়ে কথা কব জানে তেৱেঁই কবি। যি যিমান ভালকৈ কব জানে তেওঁ সিমান ভাল কবি। কোনো এজন লোক এটা বিষয়ত যিমান স্পৰ্শকাতৰ আন এটা বিষয়ত সিমান নহবও পাৰে । সেয়ে ব্যক্তিভেদে একেজন কবিৰ স্থানৰো তাৰতম্য ঘটে। কবিও মানুহ, স্পৰ্শকাতৰতা কৰবাত বেছি, কৰবাত কম। যি বিষয়ত অধিক স্পৰ্শকাতৰ তাতেই তেওঁ মনোগ্ৰাহী কবিতা ৰচিব পাৰে। বুদ্ধিদীপ্ততা যিমানে প্ৰথৰ সিমানেই প্ৰকাশভঙ্গীৰ চমৎকাৰিত্ব বাঢ়ে । আনহাতে অনুশীলনীৰ অভাৱত বুদ্ধিদীপ্ততা বা স্পৰ্শকাতৰতা — কোনোটোৱে সংবেদনশীলতাৰ সহায়ক নহবও পাৰে। অনুশীলনীয়ে পূৰ্ণতা আনে।

অসমীয়া সাহিত্যত প্ৰগতিশীল চিন্তাধাৰাৰে কবিতা ৰচনাত আত্মনিয়োগ কৰা নতুন চাম কবিৰ সৈতে ‘অঞ্জলি’ৰ কবি শ্ৰীমহেশ মেধিৰ বয়সৰ প্ৰভেদ নাথাকিলেও আৰু তেওঁৰো কবিতা ৰচনাৰ উন্মেষ প্ৰগতিশীল কাব্য-চৰ্চাৰ কালডোখৰত হলেও বহুত ন-কবিৰ ৰচনা ৰাজিৰ লগত শ্ৰীমেধিৰ কবিতাৰ সুৰ, প্ৰাণ-স্পন্দন আৰু অনুপ্ৰেৰণাৰ যে প্ৰভেদ আছে সেই কথা ‘অঞ্জলি’ৰ কবিতাসমূহৰ পৰা উপলব্ধি কৰিব পাৰি । তেওঁৰ কবিতা সমূহত ধ্বনিত হৈছে অকৃত্ৰিম স্বদেশানুৰাগ, আদৰ্শনিষ্ঠা, মানবীয় দৰদ, সামাজিক অন্যায়-অনীতি-বৈষম্যৰ বিৰুদ্ধে ঘৃণা আৰু ক্ৰোধ আৰু সৰ্বোপৰি এখন নতুন সমাজ গঢ়াৰ সেউজী সপোন । অথচ বিশ্বমানৱতাৰ জয়গান গাই সাম্যবাদৰ নিচান উৰুৱাবলৈ ৰক্তক্ষয়ী সংগ্ৰামৰ আহ্বান জনাই ফাকা আৱাজৰ শ্ল'গান ৰচনাৰ কুচকাৱাজ সেইবোৰত নাই।

অঞ্জলিৰ প্ৰথমৰ ফালৰ কবিতাবোৰত অনুৰণিত হৈ উঠা মাতৃভূমিৰ প্ৰতি অবিচল ভক্তি তথা স্বদেশপ্ৰেম লাহে লাহে মানৱ প্ৰেমলৈ ৰূপান্তৰিত হৈ জীৱন-মৰণ, ইহকাল পৰকালৰ সমস্যাৰে জৰ্জৰিত কবি কঠোৰ বাস্তৱৰ মুখামুখি হৈ কেতিয়াবা হতাশাগ্ৰস্ত, কেতিয়াবা আশাৰে ভাস্বৰ । দুই এটা কবিতাত ব্যক্তিকেন্দ্ৰিক প্ৰেম কৌস্তভমণিৰ স্পৰ্শ বিচাৰি কবি যেন উদ্বাউল; কিন্তু স্বদেশপ্ৰেমৰ কবিতাতে হওক বা ব্যক্তিপ্ৰেমৰ কবিতাতে হওক, কবি পেনপেনীয়া ৰোমান্তিকতাৰ মাজত বুৰ গৈ থকা নাই,— বৰং বাস্তৱৰ সচেতনতা কবিমানসৰ স্থিতিশীল ৰূপ হিচাবে ধৰা দিছে। সেয়ে তেওঁ জাগতিক দুখ-দৈন্য, অৰ্থনৈতিক বৈষম্য, দাৰিদ্ৰৰ কদৰ্য ৰূপ, সামাজিক অসততাৰ পঙ্ক নাশ কৰি নতুন পুৱাৰ নতুন সূৰুযক আদৰি অনাৰ বলিষ্ঠ আশা পোষণ কৰিব পাৰিছে ।

ভাৱ-অনুভূতি আৰু বিষয়বস্তুৰ ফালৰ পৰা ‘অঞ্জলি’ৰ কবিতাসমূহত বিক্ষিপ্ততা বৰ্তমান, কবিমন সঞ্চৰণশীল; কিন্তু লেহুকা জয়পৰা মালতী নহয়। প্ৰকাশভঙ্গীৰ ফালৰ পৰা ও কবিতাসমূহে নিটোল কাব্যৰূপ পৰিগ্ৰহ কৰা নাই। ঠায়ে ঠায়ে দুই এটা সুন্দৰ বাক্য থাকিলেও কবিতাসমূহ বৰ্ণনাধৰ্মী ৰচনা, গুণগতভাবে কলাৰ পৰ্য্যায়লৈ উন্নীত হোৱাৰ ঠাই থকা স্বত্বেও কবিয়ে যেন আবেগকে মুখ্য স্থান দি কলাৰ দিশটোক অৱজ্ঞা কৰি গৈছে। এই ক্ষেত্ৰত ‘অঞ্জলি’ৰ কবিও আন আন সমবয়সীয়া তৰুণ কবিসকলৰ সমস্তৰতে ৰৈ আছে; কেৱল এওঁ নাটকৰ বচন ৰচি ভীমৰ গদা ঘূৰোৱা নাই । কবিয়ে সেই দিশটোলৈ লক্ষ্য ৰাখি আগবাঢ়িলে একেখিনি কথাকে অধিক সংবেদনশীল কৰি প্ৰকাশ কৰাৰ কৌশল আয়ত্ব কৰিব পাৰিব । কবিৰ অনুপ্ৰেৰণাৰ থলি জাগ্ৰত দেশমাতৃকা আৰু শাশ্বত মানৱতা বেধিৰ সৈতে মননশীলতাৰে মানৱ হৃদয়ৰ স্থায়ী সুৰৰ তন্ত্ৰীত গুঞ্জন তুলিব পাৰিলেই অধিক মনোৰম কবিতাৰ সৃষ্টি হব আৰু বুদ্ধিদীপ্ততাৰে সেই গুঞ্জনক অৰ্কেষ্ট্ৰালৈ ৰূপান্তৰিত কৰি বিচিত্ৰ কাব্যসম্ভাৰৰ অঞ্জলি দিবলৈ সক্ষম হব । আমি কবিৰ উজ্জ্বলতৰ ভৱিষ্যতৰ কামনা কৰোঁ।

– পৰমেশ শীল

## – কবিতা সূচী –

অঞ্জলি ১ মাতৃপূজা ২ অৰ্চনা ৩ মই নতুন সূৰুয ৪ মই এতিয়া ডাঙৰ হ'লো ৫ মাতৃ বন্দনা ৭ আৰাধনা ৯ মাতৃভক্তি ১০ প্ৰণতি ১২ নিয়তি ১৩ অস্তিত্ব ১৪ ৰহস্য ১৪ এটি ক্ষণ ১৫ অসীম মৰম ১৫ বেদনা ১৬ অশ্ৰু আৰু হাঁহি ১৬ বিৱৰ্ত্তন ১৭ চিন্তাবহ্নি ১৭ অব্যক্ত সুৰ ১৮ জ্যোতি শিখা ১৮ মৌন বেদনা ১৯ মৰন শলিতা ২০ প্ৰতীক্ষা আৰু বিদায় ২১ চিতা ২২ আহ্বান ২২ নতুন প্ৰভাত ২৩ বিদ্ৰোহ ২৪ নৱ দধীচিৰ অস্ত্ৰ ২৫ এটি মুহূৰ্ত্ত ২৫ শৰতৰ সন্ধিয়া ২৬ তুমি আৰু মই ২৭ গতি ২৮ ত্যাগ ২৯ মনুষ্যত্ব ২৯ এটি কথা ৩০ তুমি ৩০ পৃথিৱী ৩১ নতুন প্ৰাণ ৩২ সন্ধানী ৩৩ বহাগী ৩৪ ফুটপাথ ৩৫ প্ৰহৰী ৩৬

# অঞ্জলি

কিহেৰে জুখিম আই
অসীম তোমাৰ স্নেহ
ব্যৰ্থ প্ৰয়াস,
জুখিবলৈ আকাশৰ চন্দ্ৰ-তৰা
সমুদ্ৰৰ জলৰাশি
সমীৰৰ ব্যাপকতা
তেনেদৰে তোমাৰ কৰুণা ।
কিহেৰে পূজিম বাৰু—
নাই যে পূজাৰ ফুল
দিয়া দেৱী শকতি এধানি
হে মোৰ, জননী ভাৰতী,—
সানি দিব পাৰোঁ যেন
ম্লান অধৰত
এমুঠি জোনাক হাঁহি ।
জীৱন পদুম পাহি
থাপিম মাতৃ
তোমাৰ চৰণ তলে
আশীষ এধানি মাগিছোঁ দেৱী
মানৱবৰ্ষৰ ৰঙালি প্ৰভাতে ॥

***

# মাতৃ-পূজা

জীৱনৰ ৰন্ধ্রে ৰন্ধ্রে
প্রতি টোপাল
ৰক্ত বিন্দুৰ মাজে মাজে
প্রৱাহিত তোমাৰেই
কৰুণা -।
স্নেহা শীষেৰে হাত বুলাই শিৰত,
দেখুৱালা তুমিয়ে মাতৃ
বিশ্বভুৱনৰ দৃশ্য অপৰূপ
তোমাৰ বুকুৰ উমেৰে
সজীৱ কৰি—
গঢ় দিলা মোৰ জীৱন ৰূপ।
বিশ্ব-বিশ্রুতা, ৰত্নাগৰ্ভা
চিৰ পূজিতা
তুমিয়ে মোৰ আই ভাৰতী ।
জন্ম-জন্মান্তৰে—
ৰাত্নামযী কোলাত
আশা মোৰ, জনম লোৱাৰ ।
নাই কিন্তু মোৰ
পূজাৰ সম্ভাৰ—
দেৱী তোমাক পূজিবলৈ !
শকতি দিয়া—
হে চিৰ চেনেহী জননী মোৰ
আজীৱন পাৰোঁ যেন তোমাক পূজিব ॥

***

# অৰ্চনা

ধন্যা ধন্যা মাতৃ ভাৰতী
শত সহস্ৰ বীৰ প্ৰসৱিনী
ধৰ্ম্ম, ভাষা, সংস্কৃতিৰ
তুমিয়ে দেৱী জগত জননী ।।
লাচিত, শিৱাজী, ৰাণাপ্ৰতাপৰ
ঝাঞ্চিৰাণী, কনকলতা, মূলাগাভৰুৰ
তুমিয়ে জননী—
শঙ্কৰাচাৰ্য্য, শ্ৰীমন্তশঙ্কৰ, বিবেকানন্দৰ
শত শত মহাত্মা মহামানৱৰ
তুমি মাতৃ জনম দায়িনী ॥
জ্ঞান-গৰিমা, ধ্যান ধাৰণাৰে
জগতকে বিকশি
আজিও গায় জয় জয় গান
গোটেই জগত বাসী ॥
আমি আগবাঢ়ি যাম;
আগবাঢ়ি যাম
জয়ৰ নিচান তুলি
গাঁও আহা সবে মিলি
জয় জয় গান জননীৰ

***

# মই নতুন সুৰুয

মোৰ এতিয়া বয়স
মাত্ৰ দহ মাহ
মই বাঢ়ি গৈ আছোঁ
গৈয়ে থাকিম ক্ৰমাগত ।
অন্য ভূমিস্থ সন্তানৰ দৰে
মই অশ্ৰুসিক্ত নয়নেৰে
কান্দিব নেজানিলোঁ,
জন্মতে মোৰ চকু আৰু হৃদয়ত
প্ৰভাতী সূৰ্য্যৰ ৰক্তাক্ত বোল
নাম মোৰ বিপ্লৱ ।।
অসহয়া মাতৃৰ কোলাত
মোক হত্যা কৰিবলৈ ওলোৱা
হেৰ’ দানৱহঁত
এয়া যে তহঁতৰ ব্যৰ্থ প্ৰচেষ্টা
মই নতুন সূৰুয
জগতত হম এক নতুন দৃষ্টান্ত ॥
মই অজেয়,
সময়ে সময়ে লওঁ জনম
এয়া দেৱী মাতৃৰ কোলাত
মোৰ শক্তিত হয় সকলো পৰাভূত ॥
কিন্তু - !
এইবাৰ মোৰ পূৰ্ণ অৱতাৰ
অচলা মাতৃক কৰিম উদ্ধাৰ ॥
সপ্ত মাহীৰ ভাতৃগণেও
মোকেই কৰিব অনুকৰণ
জানা, মই বিপ্লৱী, ময়ে তাণ্ডৱী
কৰিম দানৱক নিধন
এয়ে মোৰ শেষ জনম ।।

***

# মই এতিয়া ডাঙৰ হলো

আই !
মই এভিয়া ডাঙৰ হলো
তুমি আৰু ভয় নকৰিবা ।
এই ভিখাৰীবোৰে
তোমাৰ অক্ষয় ভাণ্ডাৰৰ
ভিক্ষা পায়
কৰিব বিচাৰিছে
তোমাকে গ্ৰাস ;
ভয় নাই আই
মই এতিয়া ডাঙৰ হলাঁ।।
লোকৰ ভৰি চেলেকা
কৃতাঘ্ন মহা পাতকীবোৰক
মোৰ আৰু চিনিৰলৈ বাকী নাই
সময়ে সকলো শিকাব
ভয় নাই আই
মই এতিয়া ডাঙৰ হলোঁ ।।
বীৰ ভগদত্ত, লাচিত
কত শত শত ভাতৃ
যদিও আজি নাই
মোৰ দুবাহুত আছে কিন্তু
সিহঁতৰে অজেয় বল,
তোমাৰ ম্লান অধৰত
সানি দিম
হাঁহিৰ চেকুৰা আই
মাথো আশীষ লাগে তোমাৰ
মই এতিয়া ডাঙৰ হলোঁ
তুমি আৰু নেকান্দিবা আই ॥

***

# মাতৃ বন্দনা

হে জননী !
হৃদয় বেদীত তোমাক প্ৰস্থাপি
পূজিব পাৰো যেন আজীৱন
তদাৰ্থে মাগিছোঁ -
শকতি দিয়া, দিয়া ভকতি
নিৰ্ম্মল কৰা, উজ্বল কৰা
মোৰ হৃদয় কানন
নাই দেৱী, তোমাক দিবলৈ মোৰ
ধূপ-ধূনা অগৰু চন্দন
তোমাৰ পাদ যুগলে ।
জাগ্ৰত কৰা, নিৰ্ভয় কৰা
উদ্যমী কৰা মোৰ হৃদয়
জীৱনটোকে সুগন্ধি
ধূপকাঠিৰ দৰে
দিব পাৰো যেন
তোমাক সদায়
মঙ্গলময়ী তুমি
কল্যাণময়ী তুমি
তোমাৰ দিব্য শক্তিৰ পৰশ পেলাই
জ্যোতিৰ্ম্ময়ী হাত মোৰ শিৰত থোৱা
সকলো বাধাৰ প্ৰাচীৰ ভেদি
জীৱন-জ্যোতিৰ আলোক ব্যাপী
অসীমত মিলোৱা
সদৈব যেন তুমি মোৰ হৃদয়ত বহি
আত্মা পুলকিত কৰা
তোমাৰ পাদপৰ্শে
জীৱন মোৰ বিকশিত কৰা
হিয়াৰ উমে উমে জ্বলে
তোমাৰেই মূৰতি
প্ৰভাতী সূৰুযৰ আভাবে,
হিয়া মোৰ তুমি জ্যোতিষ্মান কৰা
হিন্ময়ী কিৰণেৰে।

পঞ্চ ভূতৰ অণুৰে অণুৰে
ৰিম্বিত হোৱা
কৰ্ণে, বক্ষে, হৃদয়, কণ্ঠে
চাক্ষুস মণিত নিতৌ প্ৰজ্বলিত হোৱা
বিপদ স্থিতিতো যেন মাতৃ
সৎবুদ্ধি প্ৰদান কৰা।

***

# আৰাধনা

জয় আই ভাৰতী
জয় আই ভাৰতী
ভাৰত মাতৃৰ পুত্ৰ আমি
ৰাখিম জননী মাতৃৰ
সন্মান আমি ।
কোটি কোটি বীৰ সন্তান
জন্ম লভিছে ভাৰত মাতাৰ
দুৰ্দানৱক বশ কৰিম
আমি আই জননীৰ
সন্মান ৰাখিম।
তোমাৰ ৰক্ষাৰ বাবে
লৈছো আমি জনম
তোমাৰ বাবে বিলীন হওঁক
আমাৰ এই জীৱন ।
হে আই জননী
দিয়া আমাক শকতি
ৰাখিব পাৰো যেন
তোমাৰ অশেষ কীৰ্ত্তি

***

# মাতৃ ভক্তি

কিদৰে বুজাও মাতৃ
চকুলোৰ ভাষা
ঢালি দিছা
যত আছে জগতৰ প্ৰীতি ।
নোৱাৰোঁ বুজাব মাতৃ
বুকুৰ বেদনা
মৰমৰ গোলাপজুপিত
ফুলিছে আলেখ ফুল ।
কি ভাবে শুনাও মাতৃ
প্ৰাণৰ সঙ্গীতটি
তালমান নোহোৱা
ভগ্ন হৃদয়ৰ
বেসুৰা সঙ্গীত ॥
কিদৰে দেখুৱাও আই
পুত্ৰ হৃদয়ৰ
গভীৰতাৰ গভীৰতমত
জিলিকি আছে কাৰ
দেৱী প্ৰতিমূৰ্ত্তি ।
বুকুতো বিদৰাৰ
নাই ক্ষমতা মোৰ
নাই মোৰ মুখতুলি
কথা কবলৈ।
মাথোন !
মেঘাচ্ছন্ন বৰ্ষাৰ ওফোদ।
আকাশ সদৃশ
হৃদয় থাকে মোৰ
গুজৰি গুমৰি ।
কেনেকৈ লিখো মাতৃ
প্ৰাণৰ কবিতাটি

ভাষা নাই ছন্দ নাই
নাই অলঙ্কাৰ
ৰই থাকে মাথো ই
অব্যক্ত বেদনাৰ
হুংকাৰ তুলি।
য'ত আছে বেদনা
বুকুৰ যাতনা
আবেগৰ শিকলিয়ে
তানে ঘনে ঘনে
মন চাবুৰৰ বেত্ৰাঘাতত
চকুলো সৰি মোৰ
টোপাটোপে পৰে
ক’ত বাৰু পাম আই
এনে অহৈতুক প্ৰীতি
প্ৰেমৰ আঘাতত যাৰ
সৰি পৰে অশ্ৰু
নিগৰি নিগৰি

***

# প্ৰণতি

এটি বজ্ৰাঘাত শব্দ
বুকু ভাঙি চূৰমাৰ হ'ল
চকুত প্লাৱনৰ ঢল
হায় !!
গিৰিধৰ শৰ্মা আৰু নাই ।
হে পুণ্যাত্মা তুমি
শীঘ্ৰে গ'লাগৈ গুছি
কন্দুৱাই অসমবাসীক
আমি মাথো ৰলো
এখন বিশাল হিয়া হেৰুৱাই
চকুপানী টুকি টুকি ।
হিয়াৰ অশ্ৰু-অঞ্জলি যাচিছোঁ দেৱ,
তোমাৰ পবিত্ৰ চৰণ যুগঙ্গত
আশীষ বচন দিয়া যেন
আমাৰ শিৰত
প্ৰণতি জনাও দেৱ
তযু বিদায়ত ।

***

( ✓ গিৰিধৰ শৰ্মাৰ সোঁৱৰণত )

# নিয়তি

এজাক বিষাক্ত বতাহ
মোৰ কৰ্ণ কুহৰত
তীৰবিদ্ধ অবোধ হৰিণযন্ত্ৰণাৰে
ঠোচ্ কৰি বিন্ধিলে
আৰু হৃদয়ৰ
চেঁচা হিম স্তূপবোৰ
গোট মাৰিলে অচিৰে ।
মই নিশ্চল, হতভম্ব
এটা প্ৰাণহীন শিলৰ মূৰ্ত্তি ।
সংজ্ঞা উভতিল
সময় পৰত
আমি জানো দাস
নহয় নিয়তিৰ ?
তথাপিও হায় !
বিদীৰ্ণ হৃদয়ৰ আঘাতত
চকুৰপৰা বাগৰি পৰিল
এটোপাল অশ্ৰুকণা

***

# অস্তিত্ব

মই মৰি মৰিও জীয়াই আছোঁ
কেৱল মাথো তোমাৰ বাবে॥
হাড় ভঙা পৰিশ্ৰমৰ
ক্লান্ত শৰীৰৰ অৱসাদৰ অন্ততো
তোমাকেই বিচাৰি পাওঁ।
তোমাতেই মই—
তোমাতে সকলো
তুমি অবিহনে বাৰু মোৰ
অস্তিত্ব ক'ত ?

***

# ৰহস্য

মৃত্যুৰ পাচতেই যদি শান্তি থাকে
কিয় বাৰু সহস্ৰ যন্ত্ৰনা সহিও
বিচাৰো জীয়াই থাকিবলে ?
মৃত্যুই সুগম পথ বুলি কয়
তথাপিও কিয় বাৰু
তাকেই ভয় কৰে ?
কিযে অভেদ্য ৰহস্য
সোমাই আছে তাতে
পাৰিবনে কেৱে
সেয়া অপাৰ ৰহস্য
ভেদ কৰিবলে ?

***

# এটি ক্ষণ

এই এটি ক্ষণত
বিশ্ব বুকুত
ফুলিছে ক'ত পুষ্পৰাজি
আৰু,
এই মুহূৰ্ত্ততে
এই ধৰাতে
মৰহি পৰিছে
ক'ত পাপৰি আজি ।
কিযে মহত্ব
এই ক্ষণটিৰ
এই অমূল্য ধন
মানৱ জাতিৰ ॥

***

# অসীম মৰম

অসীম মৰম পৰিব্যাপ্ত হ'ল
মোৰ হৃদয়ত
অনৰ্গল প্ৰৱাহ প্লাৱনৰ
চিৰ প্ৰৱাহিত হওক
মোৰ জীৱনত ॥

***

# বেদনা

হৃদয়ও জুই জ্বলিছে
তোমাৰ বাবেই
তোমাৰ ‘এবচেঞ্চ' এক
বিষাক্ত বেদনা
কোনে বাৰু জুই নুমাব
তোমাৰ অবিহনে ?

***

# অশ্রু আৰু হাঁহি

তোমাৰ চকুৰ পানীয়ে জ্বলালে
মোৰ হৃদয়ত একুৰা জুই
মই দহি দহি পুৰি মৰিছোঁ ॥
তোমাৰ মিঠা মিঠা জোনাক হাঁহিয়ে
বিষাদগ্রস্ত পৰাণত
তুলিছে খলকনি
দশোদিশ পোহৰ দেখিছোঁ ॥

***

# বিৱৰ্ত্তন

শুক্লপক্ষৰ কাঁচি জোন
নিৰ্মল নিভাঁজ কান্তি
পূৰ্ণিমাত পূৰ্ণ বিকাশতাৰ,
মনৰ দিগন্তৰ সিপাৰত
সাত ৰঙীন কল্পনা
শূণ্যত বৃত্ত ভঙাৰ শব্দ ।।
আৰু -
কৃষ্ণপক্ষই আনি দিয়ে
ডুব যায় আঁউসীৰ
বিশাল বুকুত ॥

***

# চিন্তাবহ্নি

দৃষ্টিৰ অলক্ষিতে আছা যদিও
মই দেখো নিচেই সমীপত ।
বাস্তৱত দুৰূহ,
কিন্তু! কল্পনাত উজু ।
চকুৰে নেদেখো আত্মাই দেখুৱাই
মনে নুবুজে যদিও
হৃদয়ে বুজায়
চিন্তা বহ্নিৰ চিতাত
মই কাঠৈহে জ্বলো ॥

***

## অব্যক্ত সুৰ

বুকুৰ কেন্দ্ৰ বিন্দুত
উত্তপ্ত আগ্নেয়গিৰিটোৱে
লগাইছে উখল মাখল
এতিয়াও বিস্ফোৰণ হোৱা নাই
মাথোন, -
ঠাহ্ খাই আছে
গলিত পাথৰেৰে
গধুৰ গধুৰ বোজা যেন
অনুমেয় ।।

***

## জ্যোতি শিখা

দূৰ দিগন্তত
মৰম শলিতা গছি
জ্বলিছে ঢিমিক্-ঢামাক্
তাৰ জ্যোতি কণাৰে
উদ্ভাষিত কৰিলে
মোৰে ঐ নন্দন কানন ।
আলোক ৰাজিয়ে
হাত বাউল দি
কৰিছে আহ্বান
মোকেই বাৰম্বাৰ ।

দেও দি ধৰি
ছেউনি মাৰি
পালোহি তাৰেই কাষৰ,
ভাৰ হ'ল
তাৰ জ্যোতিৰে
হব মোৰ জীৱন পোহৰ ॥

***

# মৌন  বেদনা

গগণৰ বিশালতা
আৰু, –
সমুদ্ৰৰ গভীৰতা
পাৰিবনে কেৱে
ভেদ কৰিবলে ?
তেনেকৈয়ে —
মোৰ অনুভূতিৰ
গভীৰতাৰ গভীৰতমত
তোমাৰেই প্ৰতিচ্ছবিটি
অহৰ্নিশে হয় প্ৰতিভাত ।
চাক্ষুস দৃষ্টিৰ অলক্ষিত
আছা যদিও তুমি
দেখো মই নিচেই কাষৰত
কল্পনাৰে আঁকিছোঁ বিগ্ৰহ

মোৰ হৃদয় মন্দিৰত
মুখশ্ৰী জ্যোতি অসাম তুমি
আত্মাৰে ৰাখিছো বান্ধি।
বেদনাহুত মৌনতা
এবুকু নীৰৱ আশা
দুই আত্মাৰ মিলনত
হ'ব এটি নৱ কিৰণ উদিত।

***

# মৰম শলিতা

জলিছে প্ৰদীপগছি
মোৰ হৃদয়ত
কাৰ মৰম শলিতাৰে
আজীৱন প্ৰদীপ্ত হৈ থাকিব
জীৱন মাজে........॥

***

# প্ৰতীক্ষা আৰু বিদায়

প্ৰতীক্ষা, --
চঞ্চল পবনে নচুওৱা
মন ইচাতি বিচাতি কৰা
মিলন আকাঙ্খাৰ
এটা শুভ মূহূৰ্ত্ত।
প্ৰতীক্ষাৰ শেষাৰ্দ্ধত
পাওঁগৈ আমি
শৰতৰ জোনাক সৰা
সুখ স্বপ্নালু অমুঠি হাঁহি।
কিন্তু বিদায় - !
এপাত বিষাক্ত শেল
চকুত প্লাৱন নামে
মধ্যাহ্ন সূৰুযৰ
অগ্নি উত্তাপেও
সিক্ত বদন
নোৱাৰে শুকাব,
প্ৰখৰ ৰবিৰ আলোকো হৈ পৰে
নিস্প্ৰভ, আঁউসীৰ এন্ধাৰ
স্থিৰ পৃথিৱী বুৰ যায়
গভীৰ সমুদ্ৰৰ অতল গৰ্ভত
প্ৰাণ থাকিও যেন
এটি পাষাণ মূৰ্ত্তি ॥

***

# চিতা

নীলাভ,—
দোতালাৰ ওপৰত
ভৰিতে ভৰি ৰখা
এজন ওফোন্দা মানুহ
সমীপত এটা ভিকহুৰ
জীৱন্ত জঁকা।
দুয়োৰে মধ্যত
এখন জলন্ত চিতাৰ
উত্তাপ ॥

***

# আহ্বান

এজাক ধুমুহা লাগে
পাপ-তাপ ধুই নিকা কৰিবলে
আৰু
অবিচাৰ, ব্যভিচাৰ
দুৰ্নীতি, দুৰাচাৰ
যত জগতৰ
সকলো নিঃশেষ কৰিবলে ।
স্বাৰ্থ আৰু ব্যক্তিকেন্দ্ৰিকতাৰে মোহান্ধ
সমাজ গৈছে উটি
দেশ, সমাজ, ৰাষ্ট্ৰৰ নাই ভাৱনা

সকলোৰে কেৱল স্বাৰ্থতহে মতি ॥
সেয়ে লাগে এজাক ধুমুহা
পঙ্কিল সমাজ নাশিবলৈ
আকৌ এখন গঢ়িম সমাজ
নৱ ভাৰতৰ
য'ত নেথাকিব দুখদৈন্য
আৰু, ঘৰ শত্ৰুবিভীষণৰ ।

***

# নতুন প্ৰভাত

নাড়ী কেইডাল
লিপিত খাই
কামি হাড়ত লাগিল ।
বুকুত একুৰা জ্বলা জুই
চকুত তমসা।
ভাবে !!
নবীন ৰক্তিম সূৰুযটো
বাৰু কেতিয়া উদিত হ'ব ।

***

# বিদ্ৰোহ

বিদ্ৰোহ লাগে
সেই সকলৰ বাবে
যাৰ দুৰ্নীতিৰ জোলোঙা
আজিও হোৱা নাই দূৰ
যাৰ শোষণৰ
হোৱা নাই অৱসান ।
যি সবৰ দুৰ্ব্যৱহাৰ
গুছা নাই আজিও
দুখীয়া নীৰিহৰ ওপৰত
সিবিলাকক নমাই আনি
কৰিম নিৰ্মূল
গুচাম জগতৰ পাপ
স্থাপিম তাত সোণৰ গছা
কৰিম আলোক পাত ॥

***

# নব দধীচিৰ অস্ত্র

ভৰ দুপৰতে নামিল
আঁউসীৰ তমসা
মূৰত বজ্রাঘাত ।
খৰি পুৰি ছাঁই হল আখলত
পানীৰ আলেখ বুদ্ বুদনি
লীন হৈ গ'ল তপত চৰুত।
শুকান নাড়ীৰ
অট্ট হাঁহি
বাৰু কিমান শুনিম ?
বুকুৰ কামিহাড় কেইডাল
জেং খাই উঠিছে
নৱ দধীচিৰ অস্ত্র সজি ॥

***

# এটি মুহূর্ত

এটি মুহূৰ্ত্ত
অতিকৈ আদৰৰ
তাতোকৈ আদৰৰ
সেই মুহূৰ্ত্ত
যি সময় সন্ধিক্ষণত
তুমি মোৰ
চকুত ধৰা দিছিলা ।

***

# শৰতৰ  সন্ধিয়া

শৰতৰ জোনাকী মধু যামিনীত
আহে তোমাৰ ছবিটি ভাঁহি
বহে যেন কাষৰতে
লৈ মুখত মিচিকি হাঁহি

ক'ত হেজাৰ সপোন সন্ধিয়া
বহু কথা তুমি কৈছিলা
নীৰৱে আছিলোঁ শুনি
কত কল্পনাৰ মেৰঘৰ
কল্পনা সাজি সাজি
হেপাহ পলুৱাই চাইছিলোঁ
আকাশখনি।

আমাৰ মাজত আছে এখন সমাজ
বৰ্ণ বৈষম্য আৰু দীনহীনতাৰ
গঢ়িম আকৌ আমি নবীন সমাজ
যত নেথাকিব ভেদাভেদ তাৰ ॥

ৰাশিম আমি
শাসক শোষিতৰ স্থান
জনতাৰ মুখত সানি দিম
ন-সুৰুযৰ হেঙুলি ৰহণ ॥

***

# তুমি আৰু মই

তোমাৰ হাঁহিত
জোনাক সৰে
মই তৰালি,
তোমাৰ কণ্ঠত
মৌ বৰষে ঐ বহাগী
মই মধুলোভী মৌ-মাখি ।
তোমাৰ গালত
চিকুণ ৰঙালী গোলাপ ফুলে
মই বসন্তৰ সমীৰ হৈ চুমি যাওঁ, –
তোমাৰ নিটোল দেহত
সেউজী আঁচল
যৌৱন ভাঙি পৰা
সমুদ্ৰৰ তৰঙ্গ
মই জলকণা হওঁ ।
তোমাৰ হিয়াত ফুলা
বিবিধানি পুষ্পৰ
মিঠা উমখিন
সুস্বাদু অতিকে মহান
পাওঁ অমৃতালেখ ।
তোমাৰ আৱেশ বুকুত
জানাঅ' বহাগী
লই আছোঁ অতদিনে
জীৱনৰ কোঁহে কোঁহে
তোমাৰ আচলেৰে জীৱন মোৰ
সবুজ বাৰু নকৰিবানে ?
থাকিম তুমি আৰু মই
নিৰলে নিৰলে ॥

# গতি

অসংখ্য জলকণাৰ সমষ্টি
নদী ।
প্ৰৱাহত অলেখ জাঁজি।
পতিত থাকে ঠেকা, খুন্দা
অবিৰাম ।
কিন্তু, –
শেষ লক্ষ্য তাৰ
বিশাল সমুদ্ৰৰ
বিশাল বুকু ॥

***

# ত্যাগ

ধূপ কাঠি নীৰৱে জ্বলি
পুৰি ছাই হ'ল
তাৰ গাৰ ছাঁইখিনি
মাটিত মিলি গ'ল।
কিন্তু
নিজে নিজে দাহ্য হলেও
তাৰ ত্যাগৰ সুৰভি
বাজি থাকে মানৱৰ প্ৰাণে প্ৰাণে
তাতেই ত্যাগৰ মাহাত্ম্য
বিৰাজ হৈ থাকে ॥

***

# মনুষ্যত্ব

যদি আমি মানুহ
মনুষ্যত্ব বাৰু ক'ত ?
মানৱতাৰ জ্ঞান দেখোন
নাইয়ে মনত !
মানৱতাৰ জ্ঞানেৰে যদি
শুদ্ধ নহয় অন্তৰ
সাৰ্থক বাৰু কিহত
মানৱ জনম আমাৰ ॥
***

# এটি কথা

এটি কথা  এটি সুৰ
এটি মাথোন ভাষা
এটি কথাৰ সুৰে তোলে
আশা বা নিৰাশা ॥
এতিয়াৰ হাঁহিমুখ
পলকতে হ'ব ম্লান
গৰ্ব্বিত উৎফুল্লিত প্ৰাণ
হ'ব ক্ষণস্থায়ী বুলি জ্ঞান ॥
গৰ্ব্ব, ধন, সকলো মিছা
মিছা এই সংসাৰ
মিছা এই মৰতৰ
ভাৱ অহঙ্কাৰ

***

# তুমি

মোৰ কল্পনাৰ দিগন্তৰ সিপাৰত
অবৰ্ণনীয় তোমাৰ ৰূপমাধুৰী
অসীমতাৰ অসীমত বিৰাজি তুমি
তুলিছা সপ্ত সুৰীয়া ধ্বনি মুৰুলীৰ।
প্ৰভাতৰ কিৰণ নে
অস্তাচলৰ হেঙুলী ৰহন
সানি বিকাশিছা মুখৰ জেউতি ?
সানিছা নেকি শৰতৰ
মধুস্মিতা পূৰ্ণিমাৰ কিৰণ
তোমাৰ দাঁত দুপাৰিত ?

গঢ়িলা কিহেৰে বাৰু
চৰণ জুগল ?
বজ্ৰকঠিন হৃদয় নে
ফুলৰ কোমল কলি
কল্পনাতীত যাৰ চিত্ৰ ৰূপটি ।
কোন অদৃশ্য আসনত বহি
হাঁহিৰ কিৰিলি মাৰিছা
বিশাল বিশ্বখনক বাৰু
কেনেকৈ পৰিচালনা কৰিছা ?

***

# পৃথিৱী

পৃথিৱী তুমি গল্পালয় নেকি ?
আলয় নেকি কবিতা কুঞ্জৰ ?
আঁকৰ জানো প্ৰৱন্ধ কুৱজৰ ?
কিন্তু তোমাক
যি চকুৰে চোৱা যায়
সেই ভাবেই পোৱা হয়
কবিৰ চকুৰে লক্ষ্য কৰিলে
কবিতাৰ ছন্দ ভাঁহে
গল্পৰ দৃষ্টিৰে চালে
গল্পৰ মধুৰতা আহে ।
কোন বাৰু দেৱী তুমি
ইমান অপৰূপা
তোমালৈ চালেই
মনত সানি দিয়া
বিশ্ব বিমোহিণীৰূপ।

***

# নতুন    প্ৰাণ

নতুন বছৰে মোৰ
মনটো উতলা কৰে
হৃদয় মোৰ নাচি উঠে।
বহাগীৰ বতৰা পাই
বৃক্ষৰ ডালত পৰি
কুঁহিপাতৰ আঁৰত লুকাই
আপোন বিভোৰা হই
গাইছে কেতেকীয়ে
কিযে সুমধুৰ গান ।
এই সময়মতে -
বিহগ বিহগীয়ে
প্ৰেম প্ৰীতিৰে
কৰিছে আৰতি গছৰ ডালত ।
গছ লতিকাই পাইছে
নতুন প্ৰাণ,
গুণগুণ সুৰেৰে
আহিছে ভোমোৰে
পৰিছেহি তৰু  ৰাজিৰ
ফুলে ফুলে

তুলিছে স্পন্দন
দুখনি হিয়াৰ মাজত ।

***

# সন্ধানী

মধুস্বাদী মৰমী পখিলা
ফুলে ফুলে পৰি
ফুল-ৰেণু চুমি
লভিছা তৃপ্তি অপাৰ
তুমি নহয় জানো সুখী
নহয়নে ভাগ্যৱতী ?
জানা-
ৰাংঢালী পখিলা
সিয়ে অক্ষয় ভাণ্ডাৰ
নোৱাৰা কৰিব শেষ
প্ৰকৃতি বুকুত
অহৰ্নিশে ফুলিব
বিবিধ ফুল
উজ্বলি জেউতি ব্যাপ্ত কৰিব
বিশ্ব বুকুত।
অঞ্জলিয়ে অঞ্জলিয়ে
অক্ষয় ৰেণু
কৰিছা চুম্বন
তাতোকৈ কি মহাসুৰ
লাগেহে তোমাক ?

কিন্তু !
মোৰ অলীক কল্পনা
পান কৰিবলৈ
অকণি মধু
তোমাৰ দৰে
অসীম তৃপ্তি
লভাৰ মানসে - ॥

***

# বহাগী

অ’ বহাগী
নতুন সাজ পিন্ধিলি
নতুন সাজ পিন্ধি তই
ন-কইনা সাজিলি।
নতুন সাজেৰে
নৱ বেশেৰে
নতুন উদ্যমেৰে
মাধুৰী হাঁহিটি
লই তই মুখখনিত
কিৰিলি মাৰি ঐ
বসুধা জিনিলি
সবুজ আঁচলখনিত
ৰঙা ৰঙা বুটা তুলি
সৌন্দৰ্য্য বিকশিত কৰি
আনন্দ বিভোৰ
মানৱৰ মন কাননত
নৱ জ্ঞান সঞ্চাৰিলি ।
নৱ স্বৰে নৱ নৱ সুৰে
ছন্দে ছন্দে
গছৰ কুঁহি পাতৰ

আঁৰত বহি
‘কু-উ’ নৱ কল্লোলে
তুলিছা গীতৰ লহৰী।
স্বাগতম জনাইছোঁ।
অ' মোৰ স্নেহময়ী বহাগী ।

***

# ফুটপাথ

হাড় কঁপোৱা ঠেৰেঙা শীতত
মোৰ টোপনি ভাগে
খট্ খট্ সহস্ৰ পদধ্বনি
মোৰ কৰ্ণ পথেদি বাগৰি যায়
এইদৰে—
আজিৰ দৰে
হাড়ৰ মাজত খেপিয় ই
কলঢপ্ কলঢপ্ কৰি থকা
জীউটো পাবা।
দুমহলাৰ ওপৰৰ পৰা
সৰি পৰে মোৰ গাত
চুৱাপানী আৰু পেলনীয়া
ৰুটিৰ টুকুৰা;
মুক্ত আকাশত জোনটোৱে
মিচিকিয়াই হাঁহে
কাৰণ-
মই যে ফুট-পাথৰ লগৰী ॥

***

# প্ৰহৰী

দাইনিং টেবুলত
ঠনঠননি শব্দৰ পয়োভৰ
পাশ্চাত্য সঙ্গীতৰ
সুৰৰ লহৰত
সিহঁতৰ প্ৰাণ চঞ্চল ।
পদূলিমুখত
চিলভাৰৰ বাটিটোলৈ
কোন সেইজন প্ৰভাকৰ
তুমিয়ে নেকি
গণতন্ত্ৰৰ প্ৰহৰী ?

***